**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-04-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

***::::::::::::::::::::::::::::::::::::::::::***

১। অসমৰ প্ৰতিখন জিলা আৰু অঞ্চলৰ উন্নয়নে বিজেপি আৰু মিত্ৰজোট চৰকাৰৰ প্ৰধান লক্ষ্য বুলি বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰে।

২। প্ৰধানমন্ত্ৰীয়ে বিজেপিৰ ৪৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে **ৰাষ্ট্ৰই সৰ্বোচ্চ** বুলি ভাৰতীয় ৰাজনীতিত এক নতুন নীতিৰ সূচনা কৰিছে বুলি সামাজিক মাধ্যমত মত প্ৰকাশ কৰে।

৩। জ্যেষ্ঠ বিজেপি নেতা আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে পুডুচেৰীত এটা ঔদ্যোগিক কৰিড'ৰ বিকশাই তোলাৰ বাবে পৰিকল্পনা চলি আছে বুলি এখন নিৰ্বাচনী সভাত মন্তব্য কৰে।

৪। এছিয়ান বক্সিং ছেম্পিয়নশ্বিপত ভাৰতীয় বক্সাৰ প্ৰীতি পাৱাৰে কোৰিয়াৰ এজিইমক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ, পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

অসমৰ প্ৰতিখন জিলা আৰু অঞ্চলৰ উন্নয়নে বিজেপি আৰু মিত্ৰজোট চৰকাৰৰ প্ৰধান লক্ষ্য বুলি বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰে। আজি অসমৰ হোজাই জিলাত চলোৱা নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দি শ্ৰীমোদীয়ে এইকথা উল্লেখ কৰে। কংগ্ৰেছৰ শাসনকালত অসম উন্নয়নৰ পৰা বঞ্চিত হোৱা বুলি অভিযোগ উত্থাপন কৰি শ্ৰীমোদীয়ে কয়, যে কংগ্ৰেছে মূলতঃ নিজৰ স্বাৰ্থৰ বাবেহে কাম কৰিছিল। তেওঁ লগতে কয় যে বিজেপি চৰকাৰে শাসনভাৰ গ্ৰহণৰ সময়ত ৰাজ্যখনৰ আন্তঃগাথনি আৰু সামগ্ৰিক অৱস্থা দুৰ্বল আছিল। শক্তিখণ্ডৰ অগ্ৰগতিত আলোকপাত কৰি শ্ৰীমোদীয়ে কয় যে এসময়ত অসমে বিদ্যুৎৰ বাবে অন্য ৰাজ্যৰ ওপৰত নিৰ্ভৰশীল আছিল, কিন্তু এতিয়া শক্তি উৎপাদনত ৰাজ্যখন আৰ্হি হৈ পৰিছে। শক্তিখণ্ডৰ উন্নয়নে ৰাজ্যখনৰ ঔদ্যোগিক খণ্ডক ত্বৰান্বিত কৰাৰ লগতে নতুন বিনিয়োগৰ সৃষ্টি কৰিছে। যাৰ ফলত যুৱ প্ৰজন্মৰ বাবে কৰ্মসংস্থাপনৰ সুযোগ যথেষ্ট বৃদ্ধি পাইছে। মৰিগাঁৱত নিৰ্মাণৰত চেমি কনডাক্টৰৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে প্ৰতি ইউনিট ছীপৰ উৎপাদনে ইলেকট্ৰনিক্স খণ্ডতো ত্বৰান্বিত কৰিব। তেওঁ লগতে কয় যে অসমৰ ঔদ্যোগিক উন্নয়নে বহনক্ষম বিকাশৰ পথ প্ৰশস্ত কৰিছে আৰু কৰ্মসংস্থাপনৰ নতুন নতুন সুযোগৰ সৃষ্টি কৰিছে।

ইয়াৰ পূৰ্বে বৰপেটাত নিৰ্বাচনী প্ৰচাৰ চলাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দৃঢ়তাৰে কয় যে তৃতীয়বাৰৰ বাবে বিজেপিয়ে অসমত চৰকাৰ গঠন কৰিব। বিগত ১০ বছৰত অসমে শান্তি আৰু সমৃদ্ধিৰ ক্ষেত্ৰত উল্লেখযোগ্য অগ্ৰগতি লাভ কৰা বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে অসমৰ প্ৰতিখন জিলা আৰু অঞ্চলৰ উন্নয়নে হৈছে তেওঁৰ চৰকাৰৰ সংকল্প। অসমৰ আন্তঃগাথনি বৃদ্ধিৰ ওপৰত আলোকপাত কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যখনত যোগাযোগৰ উন্নয়নে পৰ্যটন খণ্ডতো ইতিবাচক প্ৰভাৱ পেলাইছে। কংগ্ৰেছ চৰকাৰে দীৰ্ঘম্যাদি লক্ষ্যৰে কোনো কাম হাতত লোৱা নাছিল বুলি অভিযোগ উত্থাপন কৰি শ্ৰীমোদীয়ে কয় যে তেওঁলোকে কেৱল ৰাজনৈতিক লাভালাভতহে বেচিকৈ

গুৰুত্ব প্ৰদান কৰিছিল। বিজেপি চৰকাৰে বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে দীৰ্ঘম্যাদি প্ৰকল্প হাতত লৈ কাম কৰি আছে বুলি শ্ৰীমোদীয়ে মত প্ৰকাশ কৰে।

ইয়াৰ পাছতে তেওঁ ডিব্ৰুগড়ত নিৰ্বাচনী প্ৰচাৰ চলায়।

00000

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিজেপিৰ ৪৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে **ৰাষ্ট্ৰই সৰ্বোচ্চ** বুলি ভাৰতীয় ৰাজনীতিত এক নতুন নীতিৰ সূচনা কৰিছে বুলি সামাজিক মাধ্যমযোগে মত প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে দলৰ নেতা-কৰ্মীসকলক প্ৰতিষ্ঠা দিৱস উপলক্ষে শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে দলটোৱে সমাজক সেৱা কৰাৰ বাবে সদায় প্ৰস্তুত হৈ থাকে আৰু ভাৰত প্ৰথম নীতি অনুসৰণ কৰে। তেওঁ লগতে কয় যে বিজেপিৰ নেতা-কৰ্মীসকল নিঃস্বাৰ্থ সেৱাৰ বাবে জনাজাত আৰু সুপ্ৰশাসনৰ বাবে গভীৰ দায়বদ্ধতাৰে সমৰ্পিত। শ্ৰীমোদীয়ে লগতে বিগত দশককেইটাত দলটোক গঢ় দিয়াৰ ক্ষেত্ৰত নিঃস্বাৰ্থভাৱে আৰু সমৰ্পিত মনোভাৱেৰে অৰিহণা আগবঢ়োৱা নেতা-কৰ্মীসকলক শ্ৰদ্ধাৰে সুঁৱৰিছে। তেওঁ লগতে দলটোৰ মহান নেতা শ্যামা প্ৰসাদ মুখাৰ্জী, দীনদয়াল উপাধ্যায় আৰু কে জি মৰাৰ  উল্লেখযোগ্য বৰঙণিৰ কথা সোঁৱৰে। প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে বিজেপি চৰকাৰে মহিলাসকলক দিয়া প্ৰতিশ্ৰুতি সফলতাৰে পূৰণ কৰিছে। তেওঁ লগতে ২০২৯ ৰ নিৰ্বাচন **নাৰী শক্তি বন্দন** অধিনিয়মৰ অধীনত অনুষ্ঠিত কৰা হ'ব। দিনদয়াল উপাধ্যায় অন্ত্যোদয়া আঁচনিৰ অধীনত চৰকাৰে ২৫ কোটি দৰিদ্ৰ লোকৰ আৰ্থিক অৱস্থা সূচল কৰিবলৈ সক্ষম হৈছে। দেশৰ সংহতি আৰু দক্ষ শাসনৰ প্ৰতি বিজেপি চৰকাৰ দায়বদ্ধ বুলিও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

00000

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে দলৰ লাখ লাখ কৰ্মীৰ নিষ্ঠা আৰু দায়বদ্ধতাতে দলৰ শক্তি নিহিত হৈ আছে বুলি মন্তব্য কৰি প্ৰতিষ্ঠা দিৱস উপলক্ষে দলৰ সকলো নেতা-কৰ্মীকে শুভেচ্ছা জনায়। তেওঁ লগতে দলটোৰ সফলতা অৰিহণা যোগোৱাৰ বাবে প্ৰাক্তন ৰাষ্ট্ৰীয় সভাপতিসকলক শ্ৰদ্ধাৰে সোঁৱৰে।

00000

জ্যেষ্ঠ বিজেপি নেতা আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি কয় যে পুডুচেৰীত এটা ঔদ্যোগিক কৰিড'ৰ বিকশাই তোলাৰ বাবে পৰিকল্পনা চলি আছে আৰু কেন্দ্ৰীয় শাসিত অঞ্চলটোক নীলা অৰ্থনৈতিক কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ পদক্ষেপ লোৱা হ'ব। মান্নাদ্বীপেত সমষ্টিৰ থিৰুকানুৰত বিজেপি প্ৰাৰ্থী সমৰ্থনত এখন নিৰ্বাচনী সভাত ভাষণ দি শ্ৰীশ্বাহে কয়, যে পুডুচেৰীক এক পূৰ্ণ উন্নত অঞ্চল হিচাপে গঢ়ি তুলিবলৈ এন ডি এ প্ৰতিশ্ৰুতিবদ্ধ। অঞ্চলটোত উন্নয়নমূলক পদক্ষেপসমূহত আলোকপাত কৰি শ্ৰীশ্বাহে কয় যে পুডুচেৰীত ৩ লাখ ইউনিট উৎপাদনক্ষম এটা লেপটপ নিৰ্মাণকাৰী গোট স্থাপন কৰা হৈছে। পুডুচেৰীত পূৰ্বৰ চৰকাৰৰ দিনত নিবনুৱাৰ হাৰ ৪৭ শতাংশলৈ বৃদ্ধি পোৱাৰ বিপৰীতে এন ডি এ চৰকাৰৰ দিনত এই হাৰ ৩ দশমিক ৪ শতাংশলৈ হ্ৰাস পোৱা বুলি শ্ৰীশ্বাহে সদৰি কৰে।

00000

পশ্চিম এছিয়াৰ সংঘাতৰ মাজতে দেশত খাদ্য শস্য পৰ্যাপ্ত মজুত আছে বুলি চৰকাৰে আজি আশ্বাস দিয়ে। নতুন দিল্লীত পশ্চিম এছিয়াৰ শেহতীয়া পৰিস্থিতিৰ ওপৰত আন্তঃমন্ত্ৰালয়ৰ সংবাদ মেলত ভাষণ দি উপভোক্তা পৰিক্ৰমা বিভাগৰ অতিৰিক্ত সচিব অনুপম মিশ্ৰই কয় যে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যত সাধাৰণ অস্থিৰতা নাই। তেওঁ কয় যে দেশত দাইলৰ উৎপাদন বিগত বছৰৰ তুলনাত অধিক। মিশ্ৰই কয় যে চৰকাৰে সামগ্ৰীৰ দাম আৰু যোগানৰ ওপৰত নিৰীক্ষণ কৰি আছে।

খাদ্য আৰু ৰাজহুৱা বিতৰণ বিভাগৰ যুটীয়া সচিব চি শিখাই কয় যে দেশত ঘেঁহু আৰু চাউল উভয়ৰে পৰ্যাপ্ত অতিৰিক্ত ভাণ্ডাৰ আছে। দেশত প্ৰায় ৬০২ লাখ মেট্ৰিক টন খাদ্যৰ মজুত উপলব্ধ বুলি তেওঁ জনায়। বিশ্বজুৰি অনিশ্চয়তাৰ মাজতো খাদ্য তেলৰ ঘৰুৱা উপলব্ধতা সুস্থিৰ বুলিও তেওঁ কয়। তেওঁ উল্লেখ কৰে যে প্ৰধান অংশীদাৰ দেশ সমূহৰ পৰা খাদ্য তেল আমদানি একেৰাহে অব্যাহত আছে।

ooooo

নেপালৰ সংসদ House of Representatives ৰ নৱনিৰ্বাচিত অধ্যক্ষ ডল প্ৰসাদ আৰিয়ালে সিং দৰবাৰস্থিত ফেডাৰেল সংসদ সচিবালয়ত কাৰ্যভাৰ গ্ৰহণ কৰিছে। দেশখনৰ ৰাষ্ট্ৰপতি ৰামচন্দ্ৰ পৌডেলে তেওঁক পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱায়। নেপালৰ House of Representatives ৰ দশম অধ্যক্ষ হিচাপে সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত হোৱা ৰাষ্ট্ৰীয় স্বতন্ত্ৰ পাৰ্টিৰ উপাধ্যক্ষ ডল প্ৰসাদ আৰিয়ালে ইয়াৰ পূৰ্বে অন্তৰ্বৰ্তীকালীন চৰকাৰত শ্ৰম, নিয়োগ আৰু সামাজিক সুৰক্ষা মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ আৰ এছ পিৰ প্ৰতিষ্ঠাপক উপ-সভাপতি।

ooooo

মঙ্গোলীয়াত চলি থকা এছিয়ান বক্সিং ছেম্পিয়নশ্বিপত ভাৰতীয় বক্সাৰ প্ৰীতি পাৱাৰে পেৰিছ অলিম্পিকৰ ব্ৰঞ্জ মেডেলিষ্ট কোৰিয়াৰ এজিইমক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। ইফালে আন দুগৰাকী ভাৰতীয় বক্সাৰ খেলুৱৈ লাভলীনা বৰগোহাই আৰু নিশাদ জাৰিন চেমি ফাইনেলত পৰাস্ত হয়। প্ৰিয়া আৰু অৰুন্ধতি চৌধুৰীয়ে ছেমি ফাইনেলত জয় সাব্যস্ত কৰিছে। পূজা ৰাণী আৰু অংকুশিতা বড়োৱে ছেমি ফাইনেলত পৰাস্ত হৈ ব্ৰঞ্জৰ পদক লাভ কৰিছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ, পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

ঃঃ সমাপ্ত ঃঃ